**2023**

# ASSAMESE

## ( Modern Indian Language )

## ( Compulsory Course )

Paper : ASM–CC–4016

**( Adhunik Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) কবি হীৰেন ভট্টাচাৰ্য ৰচিত এখন কবিতাপুথিৰ নাম লিখা।

(খ) কবি ৰাম গগৈৰ প্ৰথম কবিতাপুথিখনিৰ নাম কি?

(গ) 'শব্দাৰ্থৌ সহিতৌ কাব্যম্' বুলি কোনে কবিতাৰ সংজ্ঞা দাঙি ধৰিছিল?

(ঘ) গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম কি?

(ঙ) ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ যি কোনো এখন উপন্যাসৰ নাম লিখা।

(চ) 'আৱাহন' আলোচনীৰ পৃষ্ঠপোষকজনৰ নাম কি?

(ছ) 'মণিৰাম দেৱানৰ ফাঁচি' শীৰ্ষক প্ৰবন্ধটি লেখকৰ কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(জ) ডিম্বেশ্বৰ নেওগ ৰচিত একমাত্ৰ উপন্যাসখনৰ নাম লিখা।

(ঝ) জ্যোতিপ্ৰসাদৰ দ্বিতীয় কথাছবিখনৰ নাম লিখা।

(ঞ) 'লভিতা' নাটকৰ মুখ্য চৰিত্ৰ লভিতাৰ পিতৃৰ নাম কি?

২। অতি চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ড০ নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত দুখন কবিতাপুথিৰ নাম লিখা।

(খ) সৌৰভ কুমাৰ চলিহাৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) অৰূপা পটঙ্গীয়া কলিতাৰ ইংৰাজীলৈ অনূদিত হোৱা এখন উপন্যাস আৰু এখন চুটিগল্পসংকলনৰ নাম লিখা।

(ঘ) বেণুধৰ শৰ্মাই কলিকতাত পঢ়ি থাকোঁতে অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থখনৰ নাম উল্লেখ কৰাৰ লগতে তেওঁ সাহিত্য সভাৰ কোনখন অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল, উল্লেখ কৰা।

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা যি কোনো দুখন নাটকৰ নাম লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) আধুনিক অসমীয়া কবিতাৰ উত্তৰণত 'জয়ন্তী' আলোচনীৰ ভূমিকা সম্বন্ধে লিখা।

(খ) 'মৰ্মান্তিক' কবিতাটিৰ বিষয়বস্তু সম্বন্ধে এটি চমু আলোচনা লিখা।

(গ) অসমীয়া চুটিগল্পৰ বিকাশত 'ৰামধেনু' আলোচনীৰ ভূমিকা সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।





(ঘ) ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পটোৰ কাহিনীভাগৰ বিশেষত্ব আলোচনা কৰা।

(ঙ) বেণুধৰ শৰ্মাৰ সাহিত্যকৃতি সম্বন্ধে এটি পৰিচয় আগবঢ়োৱা।

(চ) 'লভিতা' নাটকৰ ইলাহী বক্স নামৰ চৰিত্ৰটিৰ বিষয়ে আলোচনা কৰা।

৪। উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰি 'পথাৰ' কবিতাত এই বৈশিষ্ট্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(খ) কবি হীৰেন ভট্টাচাৰ্যৰ জীৱন আৰু কাব্যিক প্ৰতিভা সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(গ) 'বীণা কুটিৰ' নামৰ গল্পত নগৰকেন্দ্ৰিক জীৱনক বিষয়বস্তু হিচাপে লৈ গল্পকাৰে চৰিত্ৰসমূহৰ মনোজগতৰ আভাস কিদৰে দাঙি ধৰিছে, আলোচনা কৰা।

(ঘ) অৰূপা পটঙ্গীয়া কলিতাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি সেই বৈশিষ্ট্য 'দেওপাহাৰৰ ভগ্নস্তূপ' গল্পত কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(ঙ) মণিৰাম দেৱানক কিয় অসমৰ প্ৰথম স্বাধীনতা যুদ্ধৰ ঘাই মস্তিষ্ক বুলি কোৱা হয় সেই কথাৰ উল্লেখ কৰি তেওঁৰ ফাঁচিৰ বিৱৰণ বিতংভাৱে দাঙি ধৰা।

(চ) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰি 'বনঘোষা-বনৰীয়া গীত'ৰ বিষয়বস্তু আলোচনা কৰা।

(ছ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্য-প্ৰতিভা সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(জ) 'লভিতা' নাটকৰ মূল বিষয়বস্তুৰ মাজেৰে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★